**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

ৰাজ্য চৰকাৰে অহা পহিলা জানুৱাৰীৰ পৰা ছাত্ৰসকলৰ বাবে **মুখ্যমন্ত্ৰীৰ বাবু আঁচনি** আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত স্কুটাৰ বিতৰণ কৰি এই আঁচনিৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে দৰিদ্ৰ আৰু মধ্যবিত্ত ছাত্ৰই এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত প্ৰতিমাহে নিৰ্বাচিত ছাত্ৰক জলপানি দিয়া হ'ব।

উল্লেখযোগ্য যে চলিত বৰ্ষত ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীক স্কুটাৰ বিতৰণ কৰা হৈছে। ইয়াৰে ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে স্কুটাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক যানবাহন চলোৱাৰ নীতি-নিয়ম মানি চলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত লগতে কয়, যে সময়ৰ দ্ৰুত পৰিৱৰ্তনে অসমকো স্পৰ্শ কৰিছে। ৰাজ্যখনত ২৫ খনকৈ চিকিৎসা মহাবিদ্যালয় হৈছে। ইয়াৰে ১৫ খন কাৰ্যক্ষম হৈ আছে আৰু আন ১০ খন নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত আছে। সেই সূত্ৰেই বৰ্তমান ৰাজ্যত মেডিকেল আসনৰ সংখ্যা দুহেজাৰলৈ বৃদ্ধি হৈছে বুলি মন্তব্য কৰি তেওঁ কয়, যে ২০৩০ চনৰ ভিতৰত ৰাজ্যত এই সংখ্যা ৫ হাজাৰলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। একেদৰে বৰ্তমান অসমত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপৰি ২৫ৰ পৰা ২৬ খন বিশ্ববিদ্যালয় কাৰ্যক্ষম হৈ আছে বা নিৰ্মাণৰ বিভিন্ন স্তৰত আছে। প্ৰতিৰক্ষা বাহিনীৰ অন্যতম যুদ্ধবিমান ৰাফেলৰ মেৰামতি বা চোৱাচিতাৰ বাবে ড'ছ্ল্ট ছিষ্টেমছে প্ৰায় ২০০ হাজাৰ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান নিৰ্মাণৰ বাবে আগবাঢ়িছে বুলিও তেওঁ কয়।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গক আজি কটন বিশ্ববিদ্যালয়ে মৰণোত্তৰভাৱে ডি লীট সন্মান প্ৰদান কৰিব। প্ৰয়াত শিল্পীগৰাকীৰ লগতে অধ্যাপক ৰঞ্জিত কুমাৰ দেৱ গোস্বামীকো এই সন্মান প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে অহা ১২ ডিচেম্বৰত এছ্ আই টিয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত অভিযোগনামা দাখিল কৰিব। প্ৰায় চাৰে তিনি হাজাৰ পৃষ্ঠাৰ এই অভিযোগনামা দাখিলৰ বাবে ১৮ ডিচেম্বৰ শেষ সীমা নিৰ্ধাৰণ কৰা হৈছিল যদিও ছদিন পূৰ্বে অসম আৰক্ষীয়ে এই কাম সম্পূৰ্ণ কৰিব।

উল্লেখযোগ্য যে প্ৰিয় শিল্পীগৰাকীক কালি বিশ্ববিখ্যাত শিল্পী আমেৰিকান ৰকষ্টাৰ পষ্ট মেলনেও খানাপাৰাত নিজৰ অনুষ্ঠানৰ পূৰ্বে স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে। অলপতে অসমত সংগীত পৰিৱেশন কৰিবলৈ আহিবলগীয়া বলিউদৰ বিশিষ্ট শিল্পী চনু নিগমে জুবিন গাৰ্গৰ সৈতে থকা সান্নিধ্যৰ কথা সোঁৱৰণ কৰি এইদৰে কয় –

বাইট

০০০০০০

ঐতিহ্যমণ্ডিত যোৰহাট চৰকাৰী বহুমুখী বালক বিদ্যালয়ৰ মূল ভৱনৰ নিৰ্মাণকাৰ্যৰ বাবে পুনৰ ১ কোটি ৩০ লাখ টকা পুঁজি প্ৰদান কৰা হৈছে। যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে কালি বিদ্যালয়খনত আন্তঃগাঁথনি

উন্নয়নৰ বাবে এই পুঁজি চেকযোগে প্ৰদান কৰে। অসমৰ অন্যতম ঐতিহ্য বহনকাৰী শিক্ষানুষ্ঠানখনৰ ঐতিহাসিক ভৱনটোৰ পূৰ্বৰ আৰ্হি অক্ষুণ্ণ ৰাখি পুনৰ নিৰ্মাণৰ বাবে চলি থকা প্ৰচেষ্টাৰ শেষৰটো পৰ্যায়ৰ বাবে যোৰহাট সমষ্টিৰ অনিৰ্ধাৰিত পুঁজিৰ সহায়ত কামখিনি সম্পূৰ্ণ কৰা হ'ব। ইয়াৰ লগতে যোৰহাট জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহৰ উন্নীতকৰণৰ বাবে পুনৰ ৭০ লাখ টকাৰ পুঁজি প্ৰদান কৰা হৈছে।

০০০০০০

কামৰূপ জিলাৰ  বকোৰ গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অন্তৰ্গত ২০২৫-২৬ বৰ্ষৰ হিতাধিকাৰীসকললৈ যোজনাৰ অনুমোদন পত্ৰৰ ৰাজ্যিক পৰ্যায়ৰ কেন্দ্ৰীয় আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ উদ্বোধন কৰিব। ইয়াৰ অংশ হিচাপে যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতে আজি আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। যোৰহাট বিধানসভা সমষ্টিৰ বাবে এই অনুষ্ঠান যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত অনুষ্ঠিত হ'ব। জিলাখনৰ তিতাবৰ মৰিয়নি আৰু টীয়ক বিধানসভা সমষ্টিতো এই উপলক্ষে বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

অহা ১২ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈকে হ'বলগীয়া চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা উপলক্ষে আয়োজন কৰা সাহিত্যিক তথা শিক্ষাবিদ ডিম্বেশ্বৰ চলিহা সোঁৱৰণী ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। ঘোষিত ফলাফল অনুসৰি ডিব্ৰুগড় জিলাৰ হনুমান বক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ পঞ্চম ষান্মাসিকৰ ছাত্ৰ কমল নয়ন দত্তই প্ৰথমস্থান লাভ কৰিছে। যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী প্ৰিন্সী সন্দিকৈয়ে দ্বিতীয় স্থান আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী মৌচুমী সোণোৱালে তৃতীয় স্থান লাভ কৰে। স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাখনৰ বিষয় আছিল- **জীৱন গঢ়াত গ্ৰন্থৰ ভূমিকা**।

০০০০০০

সমাপ্ত